জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫৫৭/২০২০**

# বিশিষ্ট সমাজসেৱক, অসম আন্দোলনৰ অক্লান্ত কৰ্মী কুমুদ প্ৰসাদ শৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ আগষ্ট ঃ** অসম আন্দোলনৰ অক্লান্ত কৰ্মী, বিশিষ্ট সমাজকৰ্মী, সাংস্কৃতিক জগতৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত কুমুদ প্ৰসাদ শৰ্মাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিতাৰে প্ৰয়াত কুমুদ প্ৰসাদ শৰ্মাই আমাৰ সামাজিক আৰু সাংস্কৃতিক জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত শৰ্মাই অসমৰ ভ্ৰাম্যমান থিয়েটাৰ আন্দোলনক বিশেষ মাত্ৰা প্ৰদান কৰি গৈছে। অসম আন্দোলনৰ সৈতে সক্ৰিয়ভাৱে জড়িত থকা প্ৰয়াত শৰ্মাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ ক্ষেত্ৰটো যথেষ্ট অৰিহণা যোগাই গৈছে। এই গৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ তথা সাংস্কৃতিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত কুমুদ প্ৰসাদ শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰয়াত কুমুদ প্ৰসাদ শৰ্মাৰ সহধৰ্মীণীৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰি সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালীয়ে প্ৰয়াত শৰ্মাৰ নিজ বাসগৃহলৈ গৈ তেখেতৰ নশ্বৰ দেহত মাল্যাৰ্পন কৰি শেষ শ্ৰদ্ধা নিবেদন কৰে।

**পুঃডেঃ**
**২১/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in